জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭/২০২০

# মৈত্ৰী আঁচনিৰ অধীনত নৱনিৰ্মিত মাৰ্ঘেৰিটা আৰক্ষী থানাৰ ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত মাৰ্ঘেৰিটা আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শান্তিপ্ৰিয় জনসাধাৰণক নিৰাপত্তা প্ৰদান আৰু সা-সম্পত্তি সুৰক্ষাৰ বাবে স্মাৰ্ট পুলিচ আৰু স্মাৰ্ট আৰক্ষী থানা গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰি ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ পৰা অশান্তি, অশুভ শক্তি আঁতৰ কৰাৰ বাবে স্মাৰ্ট পুলিচ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আৰক্ষী বাহিনীৰ লোকসকল কৰ্মোদ্যমী, সুযোগ্য, দক্ষ হ'লেহে শান্তিপূৰ্ণ জনসাধাৰণক নিৰাপত্তা দিয়াটো সম্ভৱ হৈ উঠিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্বাস কৰে। জনসাধাৰণৰ নিৰাপত্তাৰ লগে লগে সামাজিক আৰু সাংস্কৃতিক বিকাশৰো সম্পৰ্ক জড়িত হৈ থাকে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মৈত্ৰী আঁচনিৰ অধীনত ৭৩ খন আৰক্ষী থানা উন্নীতকৰণৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি ৫০ শতাংশ আৰক্ষী থানাৰে ১০০ শতাংশ নিৰ্মাণ সম্ভৱ হৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ ভিতৰতে অসম আৰক্ষীয়ে দক্ষ আৰক্ষী বাহিনী হিচাপে স্বীকৃতি লাভ কৰিছে। মাৰ্ঘেৰিটাৰ এই নৱনিৰ্মিত থানাখনে জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ আৰক্ষী বাহিনীৰ লোকসকলক কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ (স্বতন্ত্ৰ) আৰু শ্ৰমিক কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক সকল ক্ৰমে ভাস্কৰ শৰ্মা, সুৰেন ফুকন, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

**পুঃডেঃ / প্ৰঃবঃ**

**১৪/০২/২০২০**